৩) ডেকা, খগেশসেন (২০০২); *ব্যাকৰণ ঃ প্ৰাচ্য আৰু পাশ্চাত্য;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৪) দত্ত বৰুৱা, ফণীন্দ্ৰ নাৰায়ণ (২০০৬); *আধুনিক ভাষাবিজ্ঞানৰ পৰিচয়;* গুৱাহাটী ঃ বনলতা।

৫) দত্ত বৰুৱা, ফণীন্দ্ৰ নাৰায়ণ (২০০৬); *প্ৰয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা;* গুৱাহাটী ঃ বনলতা।

৬) পাঠক, ৰমেশ (১৯৯১); *ভাষাবিজ্ঞানৰ ভূমিকা;* গুৱাহাটী ঃ অশোক বুক ষ্টল।

৭) পাটগিৰি, দীপ্তি ফুকন (১৯৯১); *ভাষাতত্ত্ব;* গুৱাহাটী ঃ বনলতা।

৮) মৰল, ভগৱান (১৯৯৮); *আধুনিক ভাষাবিজ্ঞান;* গুৱাহাটী ঃ পঞ্চজ্যোতি প্ৰকাশ।

৫.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ আঞ্চলিক উপভাষা আৰু সামাজিক উপভাষা।

২ নং প্ৰশ্নৰ উত্তৰ ঃ দৈনন্দিন জীৱন-প্ৰৱাহত মানুহে কথা-বতৰা কওঁতে সাধাৰণতে স্বাভাৱিক (Natural) ভাষাৰূপ একোটা ব্যৱহাৰ কৰে। কিন্তু, কেতবোৰ প্ৰয়োজনত মানুহে একোটাহঁত ভাষাৰূপ নিজেও সৃষ্টি কৰি লয়। এনে ভাষাৰূপক কৃত্ৰিম ভাষা বোলা হয়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ 'এছপিৰেণ্টো' ৰাৰ্ছৰ ডঃ ঝমেনহক নামৰ পণ্ডিত গৰাকীয়ে ১৮৮৬ চনত আৱিষ্কাৰ কৰা কৃত্ৰিম ভাষা।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ আনে বুজি নোপোৱাকৈ কেৱল নিৰ্দিষ্ট এটা দলৰ মাজত বুজিব পৰাকৈ সৃষ্টি কৰি লোৱা ভাষাক বৰ্গভাষা বোলে।

৫.৭ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

ক) মান্যভাষা আৰু সাধুভাষাৰ কিবা পাৰ্থক্য আছেনে?

খ) দ্বিতীয় ভাষা কাক বোলে।

গ) মহাত্মা গান্ধীয়ে ৰাষ্ট্ৰভাষা হিচাপে ব্যৱহাৰ কৰিবলৈ সৃষ্টি কৰিব খোজা ভাষাটোৰ নাম কি আছিল?

প্ৰশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

ক) সামাজিক বাধা বা দূৰত্বই ভাষাত সৃষ্টি কৰা ব্যৱধান বা প্ৰভেদৰ ফলত সামাজিক উপভাষাৰ সৃষ্টি হয়।

খ) বৰ্গভাষা অতি স্বাভাৱিকভাৱে সৃষ্টি হোৱা ভাষা।

গ) মৃতভাষা এটা ধাৰ্মিক বা সাংস্কৃতিক কাৰ্যৰ মাজেদি এক শ্ৰেণীৰ লোকৰ মাজত চলি থাকে।

চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ চমুটোকা লিখক —

ক) ৰাজ্যভাষা খ) আন্তঃৰাষ্ট্ৰীয় ভাষা

গ) মিশ্ৰভাষা ঘ) গুপ্তভাষা

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ উপভাষা কাক বোলে? উপভাষা সৃষ্টিৰ কাৰণসমূহ ফঁহিয়াই দেখুৱাওক।

প্ৰশ্ন ২ ঃ ভাষাৰ ৰূপসমূহৰ চমু পৰিচয় দাঙি ধৰক।

*** ***** ***